পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

সত্যমেব জয়তে

# THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 791 দিশপুৰ, শুক্ৰবাৰ, 12 ডিচেম্বৰ, 2025, 21 আঘোণ, 1947 (শক)

No. 791 Dispur, Friday, 12th December, 2025, 21st Agrahayana, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

## NOTIFICATION

The 11th December, 2025

**No. LGL.66/2025/3.**– The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 9th December, 2025 is hereby published for general information.

## ASSAM ACT NO. XLVI OF 2025

**(Received the assent of the Hon'ble Governor of Assam on 9th December, 2025)**

## THE TIWA AUTONOMOUS COUNCIL (AMENDMENT) ACT, 2025

# AN
# ACT

further to amend the Tiwa Autonomous Council Act, 1995.

Preamble

Whereas it is expedient further to amend the Tiwa Autonomous Council Act, 1995, hereinafter referred to as the principal Act, in the manner hereinafter appearing ; Assam Act No. XXV of 1995

It is hereby enacted in the Seventy-sixth Year of the Republic of India, as follows :-

Short title, extent and commencement

1. (1) This Act may be called the Tiwa Autonomous Council (Second Amendment) Act, 2025.

(2) It shall have the like extent as the principal Act.

(3) It shall come into force at once.

Amendment of section 58

2. In the principal Act, for section 58, the following shall be substituted, namely:-

"58. If an elected member is chosen to be a Member of the Parliament or the State Legislature, then at the expiration of fourteen days from the date of the publication in the Gazette of India or in the Official Gazette, as the case may be, of the declaration that he has been so chosen, the seat of such member in the General Council shall become vacant unless he has previously resigned his seat in the Parliament or in the State legislature, as the case may be."

Amendment of section 61

3. In the principal Act, in section 61, after sub-section (13), the following new sub-section(14) shall be inserted, namely :-

"(14) (i) Notwithstanding anything contained anywhere in this Act, the State Government shall not be responsible for any financial transactions of the Autonomous Council except the grants-in-aid. No financial liability shall be vested in the Government for the acts done and contracts entered into by the Autonomous Council.

(ii) All bid documents of Request For Proposal (RFPs) or tenders floated by the Autonomous Council shall include a clause that the Government shall not be responsible for the financial liabilities arising out of the contracts entered into by the Autonomous Council.

(iii) All procurements of the Autonomous Council which are fully or partially funded from the State budgetary grants shall be within the framework of the Assam Public Procurement Act, 2017 and the rules made thereunder. Assam Act No XXIV of 2017

(iv) All the rules and regulations applicable for the Public Financial Management in the Government shall be equally applicable for the Autonomous Council."

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৫ চনৰ অসম অধিনিয়ম নং XLVI
## (২০২৫ চনৰ ৯ ডিচেম্বৰ তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

# তিৱা স্বায়ত্তশাসিত পৰিষদ (সংশোধন) অধিনিয়ম, ২০২৫

**এখন**

**অধিনিয়ম**

**১১ ডিচেম্বৰ, ২০২৫**

তিৱা স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ১৯৯৫, ক পৰৱৰ্তী সংশোধন কৰিবলৈ ।

প্ৰস্তাৱনা — যিহেতু তিৱা স্বায়ত্তশাসিত পৰিষদ অধিনিয়ম, ১৯৯৫ক, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে , ইয়াৰ পিছত প্ৰতীত ধৰণে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত ; **১৯৯৫ চনৰ অসম অধিনিয়ম নং XXV**

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে:-

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১. (১) এই অধিনিয়মখন তিৱা স্বায়ত্তশাসিত পৰিষদ (দ্বিতীয় সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰেই হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলৱৎ হ'ব।

ধাৰা ৫৮ ৰ সংশোধন — ২. মূল অধিনিয়মত, ধাৰা ৫৮ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:–

"৫৮. যদি এজন মনোনীত সদস্যক সংসদ বা ৰাজ্যিক বিধানমণ্ডলৰ সদস্য হিচাপে মনোনীত কৰা হয়, তেতিয়া তেওঁক এনেদৰে মনোনীত কৰা হৈছে বুলি ঘোষণা কৰি, ভাৰতৰ ৰাজপত্ৰ বা চৰকাৰী ৰাজপত্ৰ, যথাস্থিতি,ত প্ৰকাশৰ তাৰিখৰ পৰা চৈধ্য দিনৰ সমাপ্তিত, সাধাৰণ পৰিষদৰ এনে সদস্যৰ আসন খালী হ'ব, যদিহে, তেওঁ সংসদ বা ৰাজ্যিক বিধানমণ্ডল, যথাস্থিতি,ত ইতিপূৰ্বে নিজৰ আসনৰ পৰা পদত্যাগ নকৰে।

ধাৰা ৬১ ৰ সংশোধন — ৩. মূল অধিনিয়মত, ধাৰা ৬১ত, উপ-ধাৰা (১৩) ৰ পিছত, নিম্নলিখিত নতুন উপ-ধাৰা (১৪) স্থাপন কৰা হ'ব, যথা:–

"(১৪) (i) এই অধিনিয়মত যিকোনো স্থানত কোনো কথা থকা স্বত্বেও, অনুদান-সাহাৰ্য্যৰ ব্যতিৰেকে, স্বায়ত্তশাসিত পৰিষদসমূহৰ কোনো বিত্তীয় লেনদেনৰ বাবে ৰাজ্য চৰকাৰ দায়বদ্ধ নহ'ব । স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা সম্পাদিত কাৰ্য্য আৰু চুক্তিৰ বাবে চৰকাৰৰ ওপৰত কোনো বিত্তীয় দায়বদ্ধতা নাথাকিব ।

(ii) স্বায়ত্তশাসিত পৰিষদৰ দ্বাৰা প্ৰস্তাৱৰ অনুৰোধ (আৰএফপি$_{এচ}$) বা নিবিদা আবেদনৰ সকলো নিলামৰ নথি-পত্ৰতে এটা দফা অন্তৰ্ভুক্ত কৰিব যে, স্বায়ত্তশাসিত পৰিষদে সম্পাদিত কৰা চুক্তিৰ পৰা উদ্ভৱ হোৱা বিত্তীয় দায়বদ্ধতাৰ বাবে চৰকাৰখন দায়ী নহ'ব।

(iii) স্বায়ত্তশাসিত পৰিষদৰ সকলো অধিক্ৰয়, যিবোৰক ৰাজ্যিক বাজেট অনুদানৰ পৰা সম্পূৰ্ণ বা আংশিকভাৱে পুঁজি যোগান ধৰা হয়, অসম ৰাজহুৱা অধিক্ৰয় অধিনিয়ম, ২০১৭ আৰু তাৰ অধীনত প্ৰণীত নিয়মাৱলীৰ সংৰচনাৰ অন্তৰ্গত হ'ব । **২০১৭ চনৰ অসম অধিনিয়ম নং XXIV**

(iv) চৰকাৰৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ বাবে প্ৰযোজ্য সকলো নিয়মাৱলী বা বিনিয়মাৱলী স্বায়ত্তশাসিত পৰিষদৰ বাবেও সমানে প্ৰযোজ্য হ'ব।

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ,
বিধান বিভাগ, দিছপুৰ, গুৱাহাটী-৬

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1581 - 50 + 10 - 12 - 12 - 2025. (visit at– dpns.assam.gov.in)